**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-09 -2025
**Time :** 1845 HRS

***Assamese Evening Bulletin***
***Headlines***

-------------------

১। বিশ্ববন্দিত শিল্পী ড০ ভূপেন হাজৰিকাৰ শতবৰ্ষ উদযাপনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অংশগ্ৰহণ। শিল্পীগৰাকীৰ গীত আৰু বিশ্বজনিন চিন্তাক প্ৰতিজন মানুহৰ ওচৰলৈ লৈ যোৱাৰ প্ৰয়াসক প্ৰধানমন্ত্ৰীৰ প্ৰশংসা।

২। প্ৰধানমন্ত্ৰীৰ মিজোৰামত ৯ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন। **বেইৰবী-চাইৰাং** ৰে'লপথ উদ্বোধনেৰে আইজলক ৰে'ল মানচিত্ৰত সংযোজন।

৩। মণিপুৰৰ জনসাধাৰণক শান্তিৰ হকে কাম কৰি যুৱ প্ৰজন্মৰ বাবে কল্যান আৰু প্ৰগতিৰ বাট মুকলি কৰিবলৈ প্ৰধানমন্ত্ৰীৰ আহ্বান।

৪। বিটিচি নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ। ***আৰু***

৫। নতুন দিল্লীত অনুষ্ঠিত ৰাষ্ট্ৰীয় ব'ডিনাম মাৰ্শ্বেল আৰ্টছত কাছাৰৰ সহস্ৰ ৰায়ৰ স্বৰ্ণপদক লাভ।

০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি কিছুসময় পূৰ্বে খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে। খেলপথাৰৰ অনুষ্ঠানস্থলীত পদাৰ্পন কৰাৰ পাছতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰীগৰাকীক মঞ্চলৈ আদৰি আনে। সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰাৰ আদৰণি ভাষণেৰে অনুষ্ঠানৰ আৰম্ভণি হোৱাৰ পিছতে এহেজাৰ ২০০ গৰাকী শিল্পীয়ে বিশ্ববন্দিত শিল্পীগৰাকীৰ কণ্ঠৰ ১৪ টা গীতৰ বচা বচা অংশ সমস্বৰে পৰিবেশন কৰি নান্দনিক পৰিবেশৰ সৃষ্টি কৰে।

**গীত ঃ ভূপেন হাজৰিকা প্ৰগ্ৰেম**

এই অনুষ্ঠানতে শ্ৰীমোদীয়ে ভাৰতীয় ৰিজাৰ্ভ বেংকে জাৰি কৰা ড° ভূপেন হাজৰিকা স্মাৰক ১০০ টকীয়া মুদ্ৰা মুকলি কৰে। প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানতে অসম চৰকাৰৰ তত্বাৱধানত অনুৰাধা শৰ্মা পুজাৰীয়ে সংকলন কৰা ড° ভূপেন হাজৰিকাৰ জীৱনী গ্ৰন্থখন উন্মোচন কৰে। তেওঁ লগতে ২১ টা ভাষালৈ অনুদিত এই গ্ৰন্থখন ভাৰ্চুৱেল ব্যৱস্থাৰে উন্মোচন কৰে। নিজৰ ভাষণৰ আৰম্ভণিতে প্ৰধানমন্ত্ৰীয়ে ভূপেন হাজৰিকা অমৰ হওক বুলি ধ্বনি দিয়ে। তেওঁ কিংবদন্তি শিল্পী ড০ ভূপেন হাজৰিকাৰ অবিস্মৰণীয় প্ৰতিভাৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰে। তেওঁ লগতে অসম চৰকাৰৰ এই সুন্দৰ অনুষ্ঠানৰ আয়োজনৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। তেওঁ এই অনুষ্ঠানত উপস্থিত হৈ ধন্য হৈছে বুলি মত প্ৰকাশ কৰে। সংগীতত ভাৰতৰ স্বপ্নক সংযোজন কৰা, গীতেৰে প্ৰৱহমান পবিত্ৰ গংগাৰ পৰা ব্ৰহ্মপুত্ৰ লৈ লহৰ তোলা শিল্পীগৰাকীয়ে মানুহৰ মনৰ সংবেদনশীলতাক প্ৰতিভাত কৰি তুলিছিল বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। শিল্পীগৰাকীৰ শতবৰ্ষ উদযাপনৰ জৰিয়তে চৰকাৰে মহান শিল্পীগৰাকীৰ গীত আৰু বিশ্বজনিন চিন্তাধাৰাক বিশ্বৰ প্ৰতিজন মানুহৰ ওচৰলৈ লৈ যোৱাৰ প্ৰয়াস কৰিছে বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয়, যে সংগীত সাধনা হলে ই আমাৰ অন্তৰাত্মাক স্পৰ্শ কৰে। আনহাতে সংগীত সংকল্প হলে সেই সংগীতে সমাজৰ দিশ নিৰ্ণয় কৰে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। সুধাকণ্ঠ ড০ ভূপেন হাজৰিকা এনে এগৰাকী পথ প্ৰদৰ্শক শিল্পী বুলি তেওঁ মন্তব্য কৰে।

**বাইট ঃ প্ৰধানমন্ত্ৰী**

ইয়াৰ আগেয়ে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জনতাৰ শিল্পী ড০ ভূপেন হাজৰিকাৰ স্মৃতিত সশ্ৰদ্ধ প্ৰণিপাত জনোৱাৰ লগতে শিল্পীগৰাকীৰ গীতৰ বহুমাত্ৰিক দিশৰ  বিষয়ে আলোকপাত কৰে। তেওঁ কয় যে শিল্পীগৰাকীৰ গীতে জনজীৱনক তুলি ধৰাৰ লগতে স্বদেশ প্ৰেম, অসমৰ প্ৰকৃতি, সমাজ জীৱন আৰু সাংস্কৃতিক জীৱনৰ  প্ৰতিটো দিশক উজ্জীৱিত কৰি তুলিছিল। ড০ শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক এই অনুষ্ঠানত উপস্থিত থকাৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ লগতে অসমৰ উন্নয়নৰ বিভিন্ন ক্ষেত্ৰত প্ৰধানমন্ত্ৰীগৰাকীয়ে আগবঢ়োৱা সহায় আৰু সহযোগিতাৰ শলাগ লয়। আজিৰ অনুষ্ঠানত প্ৰধানমন্ত্ৰীৰ উপস্থিতিয়ে অনন্য মাত্ৰা বহন কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

আজিৰ অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খান্দু, সুধাকণ্ঠ ভূপেন হাজৰিকাৰ পুত্ৰ তেজ হাজৰিকা, ভূপেন হাজৰিকাৰ পৰিয়ালৰ সদস্যসকলৰ লগতে অসমৰ সামাজিক সংস্কৃতিক জগতৰ বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে।

প্ৰধানমন্ত্ৰীয়ে আজি নিশাটো কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত কটাব। এই ভ্ৰমণকালত অসমৰ ১৮ হাজাৰ ৫৩০ কোটি টকা ব্যয়সাপেক্ষে বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

তেওঁ কাইলৈ মঙলদৈত প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া দৰং চিকিৎসা মহাবিদ্যালয়, এখন জি এন এম স্কুল আৰু এখন নাৰ্ছিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব।  তেওঁ লগতে ভাৰ্চুৱেল পদ্ধতিৰে প্ৰায় ৭ হেজাৰ কোটি টকা ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰিবলগীয়া নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব।

ইয়াৰ পাছত প্ৰধানমন্ত্ৰীগৰাকী গোলাঘাট জিলাৰ নুমলীগড়লৈ যাব আৰু নুমলীগড় শোধনাগাৰত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে শোধনাগাৰটোৰ নতুন পলিপ্ৰপিলিন গোটটোৰো আধাৰশিলা স্থাপন কৰিব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মিজোৰামৰ ৰাজধানী আইজলত ৯ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে বহুকেইটা উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। ইয়াৰ ভিতৰত ৰে'লৰে, পথ, ঘাইপথ, শক্তি আৰু ক্ৰীড়াকে ধৰি বিভিন্ন ক্ষেত্ৰৰ প্ৰকল্প আছে। প্ৰধানমন্ত্ৰী মোদীয়ে নৱ নিৰ্মিত **বৈইৰবী-চাইৰাং** ৰে'লপথ উদ্বোধন কৰি আইজলক ভাৰতীয় ৰে'লৰেৰ সৈতে আনুষ্ঠানিকভাৱে সংযোগ কৰে। তেওঁ ৮ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা **বৈইৰবী-চাইৰাং** নতুন  ৰে'লপথত তিনিখন নতুন ৰে'লগাড়ীৰ যাত্ৰাৰো শুভাৰম্ভ কৰে। চাইৰাং-দিল্লীৰ মাজত সাপ্তাহিক ৰাজধানী এক্সপ্ৰেছ, চাইৰাং-গুৱাহাটীৰ মাজত দৈনিক এক্সপ্ৰেছ আৰু চাইৰাং—ক'লকাতাৰ মাজত ত্ৰিসাপ্তাহিক এক্সপ্ৰেছ ৰে'লগাড়ীয়ে দেশৰ অন্যান্য অংশৰ সৈতে মিজোৰামৰ যোগাযোগৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিব।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি শ্ৰী মোদীয়ে কয় যে আজিৰ দিনটো সমগ্ৰ দেশৰ বাবে বিশেষকৈ মিজোৰামৰ জনসাধাৰণৰ বাবে এটা ঐতিহাসিক দিন।

**বাইট ঃ প্ৰধানমন্ত্ৰী-Historical day**

তেওঁ কয় যে ৰাজধানী এক্সপ্ৰেছৰ জৰিয়তে চাইৰাং প্ৰথমবাৰৰ বাবে দিল্লীৰ সৈতে পোনপটীয়াকৈ সংযোজিত হ'ব। এতিয়াৰে পৰা মিজোৰামৰ কৃষক আৰু ব্যৱসায়ীসকল দেশৰ বিভিন্ন বজাৰৰ সৈতে সংযুক্ত হ'ব। ইয়াৰ ফলত বিভিন্ন ক্ষেত্ৰত নিয়োগৰ সুযোগ সৃষ্টি হ'ব বুলিও প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

**বাইট ঃ প্ৰধানমন্ত্ৰী-Benefits**

তেওঁ কয় যে ভাৰত বৰ্তমান বিশ্বৰ আটাইতকৈ খৰটকীয়া বিকশিত অৰ্থনীতি আৰু উত্তৰ-পূৰ্বাঞ্চল সম্প্ৰতি দেশৰ বিকাশৰ ইঞ্জিন হিচাপে চিহ্নিত হৈছে। মিজোৰামে এক্ট ইষ্ট পলিচি আৰু অভিলাসী উত্তৰ-পূব ক'ৰিড'ৰৰ

ক্ষেত্ৰত অন্যতম প্ৰধান ভূমিকা গ্ৰহণ কৰিব বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে জি এছ্ টি সংস্কাৰেৰে চৰকাৰে জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ লগতে ব্যৱসায় সহজ কৰি তোলাৰ বাবে কাম কৰিছে।

অনুষ্ঠানত অংশ লৈ ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে ৪৫টা সুৰংগ আৰু ৫৫খন বৃহৎ দলঙেৰে **বেইৰবী-চাইৰাং** ৰে'লপথৰ নিৰ্মাণ কাৰ্য অত্যন্ত প্ৰত্যাহ্বানমূলক আছিল। তেওঁ কয় যে এই ৰে'লপথে এতিয়া মিজোৰামক গুৱাহাটী, কলকাতা, দিল্লীকে ধৰি দেশৰ গুৰুত্বপূৰ্ণ স্থানসমূহৰ সৈতে সংযোজিত কৰিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মিজোৰামত লাংলায়-চিয়াহা পথত ছিমতুইপুই নদীৰ ওপৰত নিৰ্মাণ কৰা দলঙৰো আধাৰশিলা স্থাপন কৰে।

আইজলৰ পৰা প্ৰধানমন্ত্ৰী মোদী মণিপুৰলৈ যায়। তেওঁ চূড়াচান্দপুৰ জিলাৰ পিচ গ্ৰাউণ্ডত এখন জনসভাত অংশ লৈ মণিপুৰৰ জনসাধাৰণক শান্তিৰ হকে কাম কৰিবলৈ আৰু যুৱ প্ৰজন্মৰ বাবে কল্যান আৰু প্ৰগতিৰ বাট মুকলি কৰিবলৈ আহ্বান জনায়। শ্ৰীমোদীয়ে তেওঁৰ ভাষণত কয়, যে মণিপুৰ হৈছে আশা আৰু বিকাশৰ ভূমি, কিন্তু গোষ্ঠীগত সংঘৰ্ষই ৰাজ্যখনক জুৰুলা কৰিছে।

**বাইট ঃ প্ৰধানমন্ত্ৰী-Peace**

শ্ৰীমোদীয়ে ৰাজ্যখনৰ উন্নয়নৰ বাবে গোষ্ঠীগত সংঘৰ্ষ, ঘৃণা তথা সমস্যাসমূহৰ অন্ত কৰিব লাগিব বুলি উল্লেখ কৰে। কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনৰ পথ যোগাযোগ ব্যৱস্থা উন্নীতকৰণৰ বাবে পথ আৰু ৰে'ল বাজেটত ধনৰ আৱণ্টন বৃদ্ধি কৰিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে ৮ হাজাৰ ৬০০ কোটি টকা আৱণ্টিত পুঁজিৰে নতুন ঘাইপথ উন্নীতকৰণৰ কাম চলি আছে। তদুপৰি জিৰিবাম -ইম্ফল সংযোগী ৰে'ল প্ৰকল্পৰ বাবে ২২ হাজাৰ কোটি টকাৰ পুজিত অনুমোদন জনোৱা হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

শ্ৰীমোদীয়ে আজি চূড়াচান্দপুৰত ৭ হাজাৰ ৩ শ কোটি টকা ব্যয়সাপেক্ষে ১৪ টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰ ভিতৰত পথ আৰু ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্প, স্বাস্থ্য সেৱা প্ৰকল্প, উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় উন্নীতকৰণ প্ৰকল্প, শক্তি প্ৰকল্প অন্যতম।

**বাইট ঃ প্ৰধানমন্ত্ৰী-Employment**

প্ৰধানমন্ত্ৰীগৰাকীয়ে চূড়াচান্দপুৰত গোষ্ঠী সংঘৰ্ষত গৃহহাৰা হোৱা একাংশ লোককো সাক্ষাৎ কৰে। ইয়াৰ পাছত তেওঁ ইম্ফলতো ভালেমান উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰে। তেওঁ কাংলা ফ'ৰ্টত এখন জনসভাত অংশ লয়।

oooooo

বিটিচি নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে শাসক-বিৰোধী উভয় পক্ষই বিটিআৰত প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিটিআৰত বিজেপি প্ৰাৰ্থীৰ হৈ বহুকেইখন সভাত অংশগ্ৰহণ কৰাৰ লগতে ইউ পি পি এলৰ প্ৰাৰ্থীৰ হৈ প্ৰমোদ বড়ো, বি পি এফৰ প্ৰাৰ্থীৰ হৈ হাগ্ৰামা মহিলাৰীয়ে বিভিন্ন স্থানত সভাত অংশ লৈ ভোটাৰক আকৰ্ষণৰ চেষ্টা চলাই আহিছে।

অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে আজি পৰ্বতঝৰা পৰিষদীয় সমষ্টিত দলীয় প্ৰাৰ্থী বনেন্দ্ৰ কুমাৰ মুছাহাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি চিৰাং জিলাৰ থুৰিবাৰী পৰিষদীয় সমষ্টিৰ দলীয় প্ৰাৰ্থী অজয় কুমাৰ দাসৰ সমৰ্থনত ১ নম্বৰ ফাগুনাগাঁও আৰু শিয়ালমাৰী গাঁৱত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য তথা ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়োৱে ওদালগুৰি জিলাৰ ধনশ্ৰী পৰিষদীয় সমষ্টিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। বিপিএফৰ হাগ্ৰামা মহিলাৰীয়ে বাক্সা জিলাৰ বড়োবজাৰত ককলাবাৰী সমষ্টিৰ দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়।

নিৰ্বাচনৰ পূৰ্বে চিৰাং জিলাৰ বাসুগাঁৱত দুই শতাধিক যুৱক-যুৱতীয়ে বিজেপিত যোগদান কৰে।

বি টি চি নিৰ্বাচন সুচাৰুৰূপে পৰিচালিত কৰাৰ লক্ষ্যৰে আজি ওদালগুৰি জিলাত এটি প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। ওদালগুৰি মহাবিদ্যালয়ত আয়োজিত এই প্ৰশিক্ষণত জিলাখনৰ নিৰ্বাচনী বিষয়া পুলক পাটগিৰিয়ে নিৰ্বাচনী প্ৰক্ৰিয়াৰ নিয়মাৱলী ব্যাখ্যা কৰি বিষয়াসকলক নিৰ্বাচনী প্ৰক্ৰিয়া সফল কৰি তুলিবলৈ আহ্বান জনায়।

০০০০০০

ৰাষ্ট্ৰীয় লোক আদালতৰ অংশ হিচাপে ৰাজ্যৰ বিভিন্ন ঠাইত আজি লোক আদালত অনুষ্ঠিত হয়। হাটশিঙিমাৰী জিলা আদালতৰ চৌহদত অনুষ্ঠিত লোক আদালতৰ জৰিয়তে বিভিন্ন বেংক, বিদ্যুৎ বিভাগৰ ২৭৫টা গোচৰ নিষ্পত্তি কৰা হয়। জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত আয়োজিত এই লোক আদালতত বিভিন্ন গোচৰ নিষ্পত্তিৰ জৰিয়তে ৯০ লাখ ৮০ হাজাৰ টকা সংগ্ৰহ কৰা হৈছে।

জিলা আইন সেৱা প্ৰাধিকৰণৰ অধীনত বিশ্বনাথৰ জিলা ন্যায়িক আদালততো ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হয়। এই লোক আদালতত আপোচযোগ্য বিভিন্ন ফৌজদাৰী গোচৰ, দেৱানী গোচৰ পাৰিবাৰিক গোচৰকে ধৰি ১৭শৰো অধিক গোচৰ নিষ্পত্তি কৰা হয়। হোজাই জিলাৰ সদৰ শ্ৰীমন্ত শংকৰদেৱ নগৰৰ আদালত চৌহদত ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হয়। এই লোক আদালতত সৰু-সুৰা গোচৰ, চেক বাউন্সৰ গোচৰ, মটৰ দুৰ্ঘটনাজনিত গোচৰ, ৰাজহ সম্পৰ্কীয় গোচৰ সমিলমিলৰ মাজেৰে নিষ্পত্তি কৰা হয়।

ধেমাজিৰ ন্যায়িক আদালত আৰু জোনাই মহকুমা আদালত প্ৰাঙ্গনত অনুষ্ঠিত ৰাষ্ট্ৰীয় লোক আদালতত জিলাখনৰ ২৫৬টা গোচৰ নিষ্পত্তি কৰা হয়।

০০০০০০

বৰপেটা জিলাৰ হাউলী আৰক্ষী থানাৰ অধীনত ৰাষ্ট্ৰীয় ঘাইপথত আজি বিয়লি সংঘটিত এটা পথ দুৰ্ঘটনাত এজন যুৱকৰ মৃত্যু হোৱাৰ লগতে আন এজন গুৰুতৰভাৱে আহত হয়। নিহত যুৱকজন অভিজিৎ নাথ বুলি চিনাক্ত কৰা হৈছে। বৰপেটা ৰোডৰ পৰা হাউলী অভিমুখে বন্ধুৰ সৈতে মটৰ চাইকেলত গৈ থকা অৱস্থাত  পাছফালৰ পৰা অহা এখন তীব্ৰবেগী বাছে মহতিয়াই নিয়াত মটৰ চাইকেলৰ আৰোহী দুজন উফৰি পৰে আৰু অভিজিৎ নাথৰ থিতাতে মৃত্যু হয়। গুৰুতৰভাৱে আহত কণমানি দাস নামৰ যুৱকজনক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

০০০০০০

মাজুলীৰ গোৱালগাঁৱত খাদ্যত বিষক্ৰিয়া হৈ ভালেসংখ্যক লোক অসুস্থ হৈ পৰিছে। আমাৰ মাজুলীৰ সংবাদদাতাই জনোৱা মতে, সংকটজনক অৱস্থাত আজি শিশু আৰু মহিলাসহ ৮ জনক গড়মুৰৰ পিতাম্বৰদেৱ জিলা চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। কালি শ্ৰীশ্ৰীমাধৱদেৱৰ তিথি উপলক্ষে প্ৰসাদ গ্ৰহণৰ পাছত ডায়েৰীয়া, বমি আৰু জ্বৰত আক্ৰান্ত হৈ অসুস্থ হৈ পৰা ৪০ জন লোক ঘৰতে চিকিৎসাধীন হৈ আছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০

নতুন দিল্লীত টলকতোৰা ষ্টেডিয়ামত অনুষ্ঠিত চতুৰ্দশ ৰাষ্ট্ৰীয় ব'ভিনাম মাৰ্শ্বেল আৰ্টছ্ প্ৰতিযোগিতাত কাছাৰৰ সহস্ৰ ৰায়ে স্বৰ্ণপদক লাভ কৰিছে। অসমৰ দলটোৰ হৈ সহস্ৰ ৰায়ে জুনিয়ৰ ল'ৰাৰ ৫৪ আৰু ৫৫ কেজি শাখাত এই পদক লাভ কৰে। উল্লেখযোগ্য যে যোৱা ৮ ছেপ্তেম্বৰৰ পৰা ১১ ছেপ্তেম্বৰলৈ অনুষ্ঠিত এই প্ৰতিযোগিতাত দেশৰ প্ৰায় ৭০০ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল।

০০০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃ ঃঃ ঃঃ ঃঃ ঃঃ